অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং: ৩৩৪
উত্তৰ দিবলগীয়া তাৰিখ: ১৪/০৭/২০২৬

বিষয় : 'আপোন ঘৰ' ঋণ সম্পৰ্কত
বিধায়কৰ নাম : শ্ৰী দীপক কুমাৰ দাস

## প্ৰশ্ন

**মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলৰ সুবিধাৰ্থে আৱাস নিৰ্মাণৰ বাবে ঋণ প্ৰদান কৰি আহিছে যদিও সত্ৰ নগৰী বৰপেটাৰ বহু অঞ্চলৰ লোক সত্ৰৰ ভূমিত বসবাস কৰি অহা হেতু উক্ত ঋণ লাভৰ পৰা বঞ্চিত হৈ আহিছে। ইতিমধ্যে SBI য়ে "আপোন ঘৰ" নামে কৰ্মচাৰী সকলৰ সুবিধাৰ্থে এক আঁচনি গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে সত্ৰভূমিত বসবাস কৰা চৰকাৰী কৰ্মচাৰী সকলৰ উক্ত সমস্যা সমাধানসূত্ৰে ২০২৬-২৭ বৰ্ষৰ বাজেটত কোনো বিশেষ পৰিকল্পনা গ্ৰহণ কৰিছে নেকি? জনাব।

## উত্তৰ

**মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী শ্ৰী জয়ন্ত মল্লবৰুৱা মহোদয়ে উত্তৰ দিব :**

(ক) ৰাজ্য চৰকাৰে কৰ্মচাৰীসকলক সুলভ হাৰত গৃহ ঋণৰ সুবিধা প্ৰদান কৰাৰ উদ্দেশ্যে "আপোন ঘৰ" নামৰ আঁচনিখন ২০১৭-১৮ বিত্তীয় বৰ্ষৰপৰা আৰম্ভ কৰিছিল । SBI য়ে "আপোন ঘৰ" আঁচনিখন ৰূপায়নহে কৰে । এই আঁচনি ৰূপায়ণৰ বাবে বিত্ত বিভাগে কোনো নিৰ্দিষ্ট বেংক মনোনীত কৰা নাই। আঁচনিখন সকলো যোগ্য বেংকৰ বাবে মুকলি।

সত্ৰৰ ভূমিত বসবাস কৰি অহা বৰপেটা জিলাৰ বহু অঞ্চলৰ লোক আৱাস নিৰ্মাণৰ বাবে ঋণ লাভৰ পৰা বঞ্চিত হৈ থকাৰ বিষয়ে চৰকাৰ অবগত নহয়। বৰং,ষ্টেট বেংক অৱ ইণ্ডিয়াই জনোৱা অনুসৰি, এই আঁচনিৰ অধীনত বৰপেটা জিলাতো যোগ্য চৰকাৰী কৰ্মচাৰীসকলক "আপোন ঘৰ" আঁচনিৰ অধীনত গৃহ ঋণ প্ৰদান কৰা হৈছে।

সত্ৰভূমিত বসবাস কৰা চৰকাৰী কৰ্মচাৰীসকলক "আপোন ঘৰ" আঁচনিৰ অধীনত গৃহ ঋণ প্ৰদান কৰাৰ বাবে বাজেটত পৃথককৈ কোনো পৰিকল্পনা নাই । চৰকাৰী কৰ্মচাৰীসকলে ১২.০৩.২০১৮ তাৰিখৰ কাৰ্যালয় স্মাৰক নং-FM.৪৫/২০১৬/২৩০-ৰ নিৰ্দেশনা অনুসৰি আবেদন কৰি "আপোন ঘৰ" আঁচনিৰ অধীনত গৃহ ঋণৰ সুবিধা লাভ কৰিব পাৰে ।

***

(উত্তৰৰ প্ৰতিলিপি https://asla.neva.gov.in  ত আপলোড কৰা হৈছে)